# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 19-09-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin

:::::::::::::::::::::::::::::::

ৰাজ্যখনৰ মহিলা সৱলীকৰণৰ পদক্ষেপৰ অন্যতম স্বীকৃতিস্বৰূপে চলিত বছৰৰ আগষ্টত অসমে ২০ কোটি ১৩ লাখতকৈ অধিক লেনদেনৰ জৰিয়তে শ্ৰেষ্ঠ ডিজি পে সখী ৰাজ্য হিচাপে পৰিগণিত হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই সফলতাৰ বাবে সংশ্লিষ্ট সকলোকে অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে, ইয়াৰ দ্বাৰা ৰাজ্যখনৰ মহিলাসকলে উন্নয়ন আৰু কল্যাণমূলক পদক্ষেপত গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছে। অসমৰ পাছতে কৰ্ণাটকে ৯ কোটি ৩৩ লাখ ডিজিটেল লেনদেনেৰে দ্বিতীয় স্থান অধিকাৰ কৰিছে।

০০০

কেন্দ্ৰীয় চৰকাৰে দেশৰ উদ্ভাৱন, বহনক্ষমতা আৰু খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত গোলকীয় মান নিৰ্ধাৰণৰ বাবে বদ্ধপৰিকৰ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত ৪ দিনীয়াকৈ অনুষ্ঠিত ৱৰ্ল্ড ফুড ইণ্ডিয়া ২০২৪ ৰ উদ্বোধনী অনুষ্ঠানত ভিডিঅ' বাৰ্তাযোগে প্ৰধানমন্ত্ৰীয়ে আজি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতৰ বিচিত্ৰ আৰু সমৃদ্ধ খাদ্য সংস্কৃতি আছে আৰু দেশৰ কৃষকসকল খাদ্য ব্যৱস্থাৰ মেৰুদণ্ডস্বৰূপ। তেওঁ কয় যে চৰকাৰে কৃষকসকলক উদ্ভাৱনমূলক নীতি আৰু গুৰুত্ব সহকাৰে আঁচনি ৰূপায়ণৰ দ্বাৰা সহায় কৰি আহিছে। প্ৰগতিশীল কৃষি পদ্ধতিৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে, শক্তিশালী প্ৰশাসনীয় পৰিকাথামো আৰু নতুন প্ৰযুক্তিৰ সহায়ত ভাৰতে খাদ্য প্ৰসংস্কৰণৰ ক্ষেত্ৰত ব্যাপক সংস্কাৰ আৰু ৰূপান্তৰ সাধন কৰিছে। কেন্দ্ৰীয় চৰকাৰে আধুনিক আন্তগাথনিৰ ক্ষেত্ৰত শক্তিশালী পৰিস্থিতিতন্ত্ৰ গঢ়ি তোলাৰ লগতে দেশত কৰ্ম সংস্থাপন সৃষ্টিৰ লক্ষ্যৰে যোগান শৃংখলা সৃষ্টি কৰিছে বুলিও তেও উল্লেখ কৰে। তেওঁ কয় যে খাদ্য প্ৰসংস্কৰণৰ ক্ষেত্ৰত এশ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগ সম্ভৱ হৈছে। প্ৰধানমন্ত্ৰী কিষাণ সম্পদা যোজনাৰ দৰে আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰি তেঁও কয় যে, চৰকাৰে কৃষকসকলৰ লগতে ক্ষুদ্ৰ উদ্যোগসমূহক শক্তিশালী কৰাৰ বাবেও প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৱৰ্ল্ড ফুড ইণ্ডিয়া ২০২৪ ৰ অনুষ্ঠানত বিভিন্ন ৰাষ্ট্ৰৰ অংশগ্ৰহণৰ প্ৰসংগত তেঁও কয় যে, সমগ্ৰ বিশ্বৰ সৈতে একেলগে কাম কৰাৰ বাবে এয়া এখন আদৰ্শ মঞ্চ হিচাপে পৰিগণিত হৈছে। তেঁও লগতে এই অনুষ্ঠানত খাদ্য সুৰক্ষা, খাদ্যৰ মান আৰু উত্তম খাদ্যভ্যাস সন্দৰ্ভত এই অনুষ্ঠানত আলোচনা অনুষ্ঠিত হ'ব বুলি আশা প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী প্ৰহ্লাদ যোশী আৰু খাদ্য প্ৰসংস্কৰণ উদ্যোগত মন্ত্ৰী চিৰাগ পাছোৱানে অংশগ্ৰহণ কৰে।

০০০

মৰিগাওঁ জিলা সাহিত্য সভাৰ লগতে মৰিগাওঁ শতদল শাখা আৰু বাচনাঘাট শতদল শাখাই আজি অসমত ৰাজ্যভাষা আইন ১৯৬০ প্ৰয়োগৰ দাবীত জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। অসম

সাহিত্য সভাৰ আহ্বানমৰ্মে মৰিগাওঁ জিলা সাহিত্য সভাৰ উদ্যোগত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। স্মাৰকপত্ৰ গ্ৰহণ কৰি জিলাখনৰ আয়ুক্তই জিলাখনৰ চৰকাৰী কাৰ্যালয়সমূহত ৰাজ্যভাষা অসমীয়া ব্যৱহাৰৰ ক্ষীপ্ৰ ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে।

০০০

লখিমপুৰ জিলাৰ পৰা নতুনকৈ মাজুলী জিলাৰ সৈতে সংযোজিত হোৱা লোহিত খাৰলু পঞ্চায়তৰ অন্তৰ্গত লোহিত খাৰলু উচ্চ মাধ্যমিক বিদ্যালয়ত আজি মাজুলী জিলা আইন সেৱা প্ৰাধীকৰণৰ এখন সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত বাল্য বিবাহৰ বিৰুদ্ধে প্ৰচাৰ চলোৱাৰ লগতে বিশেষভাৱে সক্ষম শিশুৰ বাবে আইনী সেৱা আঁচনি আৰু শিশু যৌন নিৰ্যাতন সুৰক্ষা আইন সম্পৰ্কত সকলোৰে বুজিব পৰাকে সৰল ভাষাৰে বাখ্যা কৰা হয়। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধীকৰণৰ বিভিন্ন আঁচনিসমূহৰ দ্বাৰা জনসাধাৰণ কিদৰে উপকৃত হ'ব পাৰে এই বিষয়েও সভাত অৱগত কৰোৱা হয়।

০০০

পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, বিগত ৩ মাহত প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনত ৰন্ধন গেছৰ জনমুৰী ব্যৱহাৰ যথেষ্ট বৃদ্ধি পাইছে। এন ডি এ চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথম এশ দিনত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰালয়ে এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰালয়ে কয় যে, চলিত বছৰৰ জুলাইত ভাৰতীয় তেল নিগম লিমিটেডে পৰীক্ষণ আৰু সঞ্চালনৰ বাবে ভাৰতীয় নৌসেনালৈ হাইড্ৰজেন ইন্ধন কোষ ব্যৱহাৰ কৰি বিদ্যুৎ উৎপাদন কৰা বাছ যোগান ধৰাৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে। এই চুক্তি বহনক্ষম উন্নয়ন আৰু পৰিবেশ ব্যৱস্থাপনাৰ দিশত দেশৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, শেহতীয়াকৈ চৰকাৰে সংশোধিত প্ৰধানমন্ত্ৰী জৈৱ ইন্ধন পৰিবেশ অনুকুল শস্যৰ অৱশিষ্ট বিনষ্টকৰণ যোজনাত অনুমোদন জনাইছে। এই আঁচনিৰ জৰিয়তে শস্য চপোৱাৰ পাছত কৃষি পথাৰত ৰৈ যোৱা অৱশেষৰ বাবে খেতিয়কসকলক লাভজনক আয় প্ৰদানৰ লগতে পৰিবেশ প্ৰদূষণৰ সমস্যা সমাধানৰ লক্ষ্য স্থিৰ কৰা হৈছে। আঁচনিখনৰ সংশোধন কৰি উন্নত জৈৱ ইন্ধনৰ বাবে বিত্তীয় সাহায্য প্ৰদানৰো ব্যৱস্থা কৰা হৈছে। তদুপৰি প্ৰকল্প প্ৰস্তাৱসমূহৰ ক্ষেত্ৰত নতুন প্ৰযুক্তি আৰু উদ্ভাৱনত বিশেষ গুৰুত্ব আৰোপ কৰা হব বুলি আঁছনিখনত উল্লেখ কৰা হৈছে। এই আঁচনিয়ে স্থানীয়ভাৱে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিত সহায় কৰাৰ লগতে দেশৰ শক্তি সুৰক্ষা আৰু আত্মনিৰ্ভৰশীলতা সুনিশ্চিত কৰিব বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰে।

০০০

অসম আৰক্ষীয়ে আজি কৰিমগঞ্জৰ ভাৰত-বাংলাদেশ সীমান্তত ৪ জন বাংলাদেশী নাগৰিকক আটক কৰে। সীমান্তত আটক কৰা এই লোককেইজনক চিনাক্ত কৰি আৰক্ষীয়ে সীমান্ত পাৰ কৰাই ঘুৰাই পঠাইছে। উল্লেখযোগ্য যে কোনো বাংলাদেশী নাগৰিক যাতে অসমত প্ৰৱেশ কৰিব নোৱাৰে তাৰ প্ৰতি আৰক্ষীয়ে চোকা দৃষ্টি ৰাখিছে। তদুপৰি সীমান্ত সুৰক্ষা বাহিনী আৰু নিৰাপত্তা বাহিনীসমূহেও বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০

ঃঃ সমাপ্ত ঃঃ